**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-08-2025
**Time :** 1845 HRS

***Assamese Evening Bulletin***

***- - - - - - - - - - - - - -***

HEADLIES

১। ড০ ভূপেন হাজৰিকাৰ বছৰযোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অংশ হিচাপে মুখ্যমন্ত্ৰীৰ আনুষ্ঠানিকভাৱে এটা পোৰ্টেল মুকলি।

২। ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঘোষণা। ৰঙাটাপু ১৯৮২লৈ আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবিৰ সন্মান।

৩। অহা ৯ ছেপ্তেম্বৰত উপ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত কৰা সম্পৰ্কত নিৰ্বাচন আয়োগৰ ঘোষণা।

৪। বিশিষ্ট সংগীত প্ৰযোজক তথা সুৰকাৰ বিপুল বৰুৱাক আকাশবাণীৰ সৰ্বোচ্চ সংগীত প্ৰযোজকৰ স্বীকৃতি প্ৰদান।

আৰু

৫। অভেলত চলি থকা পঞ্চম তথা অন্তিম টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে প্ৰথম ইনিংছত ২২৪ ৰানতে আটাইকেইটা উইকেট পতন।

০০০০০০০

ড° ভূপেন হাজৰিকাৰ বছৰযোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আনুষ্ঠানিকভাৱে এটা পোৰ্টেল মুকলি কৰে। পোৰ্টেল মুকলিৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই সাংবাদিকক সম্বোধন কৰি ৮ ছেপ্তেম্বৰত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত বিয়লি চাৰে পাঁচ বজাত হ'বলগীয়া ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি প্ৰকাশ কৰে। এই অনুষ্ঠানতে কেইবাটাও ভাষাত লিখি উলিওৱা ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থ প্ৰধানমন্ত্ৰীগৰাকীয়ে উন্মোচন কৰাৰ লগতে ভূপেন হাজৰিকাৰ স্মৃতিত এটা মুদ্ৰাও মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই জনায়। উদ্বোধনী অনুষ্ঠানত এহেজাৰ শিল্পীয়ে ড° ভূপেন হাজৰিকাৰ কেইবাটাও গীতৰ এটাকৈ অন্তৰা অসমীয়া, বঙালী আৰু হিন্দী ভাষাত পৰিৱেশন কৰিব। ইয়াৰ বাবে প্ৰতিখন মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীসকলক আমন্ত্ৰণ জনোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। ভূপেন হাজৰিকা জন্মশতবৰ্ষ উদযাপনৰ উদ্বোধনী অনুষ্ঠান সম্পৰ্কত মুখ্যমন্ত্ৰী ড° শৰ্মাই এনেদৰে কয়–

***-বাইট-***

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণতে দৰং জিলাত তিনিটা প্ৰকল্প মুকলি কৰাৰ লগতে গুৱাহাটীৰ ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। এই সংবাদমেলতে মুখ্যমন্ত্ৰী শৰ্মাই ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহে অসম ভ্ৰমণ কৰি নতুন ৰাজভৱন মুকলি কৰিব বুলি প্ৰকাশ কৰে। একেখন সংবাদমেলতে অৰুণোদয় আঁচনি

সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে ১৭ ছেপ্তেম্বৰত অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণ মুকলি কৰা হ'ব। ২০১৯ চনত আৰম্ভ কৰা অৰুণোদয় আঁচনিৰ হিতাধিকাৰী ৮৩০ টকাকৈ লাভ কৰিছিল। আঁচনিখনৰ দ্বিতীয় সংস্কৰণত ২৮ লাখ লোকে আঁচনিৰ সুবিধা লাভ কৰিছিল আৰু তৃতীয় সংস্কৰণত ৪০ লাখৰো অধিক হিতাধিকাৰী অন্তৰ্ভুক্ত হ'ব, ইয়াৰে ৬ লাখ হিতাধিকাৰী বি টি আৰৰ। অৰুণোদয় হিতাধিকাৰীয়ে ৰন্ধন গেছতো ২২৫ টকাকৈ ৰেহাই পাব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলতে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত আৰু কয়, যে ৬ আগষ্টত নিযুঁত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয়, যে এইবাৰ তেজপুৰ আৰু অসম বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীয়ে নিযুঁত মইনা আঁচনিৰ সুবিধা লাভ কৰিব। প্ৰাদেশিকীকৃত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে স্নাতক তৃতীয়বৰ্ষলৈ বিয়াত নবহিলে এই আঁচনিৰ সুবিধা লাভ কৰিব। ৰাজ্যত চলি থকা উচ্ছেদ সম্পৰ্কত মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে চৰকাৰী খালী মাটি সুৰক্ষাৰ বাবে গাঁও অঞ্চলত সমবায় গঠনৰ বাবে আলোচনা কৰা হ'ব বুলি প্ৰকাশ কৰে।

0000000

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি ক্ৰমাগত চতুৰ্থদিনৰ বাবে প্ৰশাসন তথা বন বিভাগৰ উচ্ছেদ অভিযান চলায়। বনাঞ্চলখনত থকা ২ নম্বৰ আৰু ৩ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দলনিপথাৰ খেৰবাৰী, ২ নম্বৰ মধুপুৰ আৰু বিদ্যাপুৰত আজি অভিযান চলে। অঞ্চলকেইটাত থকা বাসগৃহ, মাদ্ৰাছা, মছজিদ আৰু তামোলৰ বাৰীত প্ৰশাসনে বুলডজাৰ চলায় উচ্ছেদ কৰে। প্ৰশাসনে জনোৱা অনুস

0000000

৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ আজি ঘোষণা কৰা হৈছে। ৰঙাটাপু ১৯৮২ নামৰ অসমীয়া ছবিখনলৈ আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবিৰ ৰজতকমল বঁটা আগবঢ়োৱা হৈছে। চলচ্চিত্ৰ সমালোচক উৎপল দত্তলৈ শ্ৰেষ্ঠ সমালোচকৰ বঁটা আগবঢ়োৱা হৈছে। প্ৰবাল খাউণ্ডৰ দ্বাৰা পৰিচালিত পাইটাং নামৰ ছবিখনলৈ টাই ভাষাৰ শ্ৰেষ্ঠ ছবিৰ সন্মান আগবঢ়োৱা হৈছে।

0000000

নিৰ্বাচন আয়োগে অহা ৯ ছেপ্তেম্বৰত উপ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আজি ঘোষণা কৰিছে। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই নিৰ্বাচনৰ বাবে অহা ৭ আগষ্টত আনুষ্ঠানিক অধিসূচনা জাৰি কৰা হ'ব। ২১ আগষ্টৰ ভিতৰত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব আৰু প্ৰয়োজন হ'লে ৯ ছেপ্তেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বিধি অনুযায়ী ভোটগ্ৰহণ সংসদ ভৱনত অনুষ্ঠিত হ'ব। লোকসভাৰ ৫৪২ গৰাকী নিৰ্বাচিত সাংসদ আৰু ৰাজ্যসভাৰ ২৩৩ গৰাকী নিৰ্বাচিত সাংসদে এই নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰিব। সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত প্ৰতিগৰাকী সাংসদৰ ভোটৰ মূল্য নিৰ্ধাৰিত হয়।

উল্লেখযোগ্য যে, জগদীপ ধনখড়ে যোৱা ২১ জুলাইত আচম্বিতে পদত্যাগ কৰাৰ ফলত উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰয়োজন হৈছে।

0000000

বিশিষ্ট সংগীত প্ৰযোজক তথা সুৰকাৰ বিপুল বৰুৱাক আকাশবাণীৰ সৰ্বোচ্চ সংগীত প্ৰযোজকৰ স্বীকৃতি প্ৰদান কৰা হৈছে। আকাশবাণীৰ সঞ্চালকালয়ে শ্ৰীবৰুৱাক সংগীতৰ প্ৰযোজনাৰ ক্ষেত্ৰত সৰ্বোচ্চ স্বীকৃতি প্ৰদান কৰা পত্ৰ খন আজি আকাশবাণী গুৱাহাটীত কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত তেওঁক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে, বিশিষ্ট সংগীত প্ৰযোজক তথা সুৰকাৰ অনুপম চৌধুৰীৰ পাছত এই স্বীকৃতি লাভ কৰা শ্ৰীবিপুল বৰুৱা হৈছে অসমৰ দ্বিতীয়গৰাকী সংগীত শিল্পী। সু-প্ৰসিদ্ধ সুৰকাৰ মুকুল বৰুৱাৰ পুত্ৰ শ্ৰীবিপুল বৰুৱাই আকাশবাণীৰ স্থায়ী সংগীত প্ৰযোজক হিচাপে আজি কিছুবছৰ পূৰ্বে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল।

এই সন্মান লাভ কৰাৰ বাবে তেওঁ অত্যন্ত সুখী বুলি অভিহিত কৰি শ্ৰীবৰুৱাই এইদৰে কয়-

*-বাইট-*

০০০০০০০

ডিব্ৰুগড়ৰ গ্ৰেহেম বজাৰ নিবাসী চন্দ্ৰপ্ৰভা ডেকা নামৰ ৮০ বছৰীয়া এগৰাকী মহিলা যোৱা ২৩ জুলাইৰ পৰা সন্ধানহীন হৈ আছে। ডিগবৈ আই অ' চি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা চন্দ্ৰপ্ৰভা ডেকা সন্ধানহীন হোৱা ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে ইতিমধ্যে ডিব্ৰুগড় থানাত এজাহাৰ দাখিল কৰিছে। কোনো লোকে মহিলাগৰাকীৰ সন্ধান পালে ওচৰৰ থানাত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। প্ৰায় চাৰে ৫ ফুট উচ্চতাৰ মহিলাগৰাকীয়ে নীলা বৰণৰ কাপোৰ পৰিধান কৰি আছিল বুলি পৰিয়ালৰ লোকে জনাইছে।

০০০০০০০

চৰাইদেউ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি চৰাইদেউ জিলা পৰিষদৰ নৱনিৰ্বাচিত সদস্য-সদস্যাসকলৰ প্ৰথমখন বৈঠক তথা শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। জিলা পৰিষদৰ নৱনিৰ্বাচিত সভানেত্ৰী হিচাপে সংগীতা গগৈ আৰু উপ সভাপিত হিচাপে মাধুয্য সন্দিকৈয়ে দায়িত্বভাৰ গ্ৰহণ কৰে। এই অনুষ্ঠানত অসম চৰকাৰৰ পৰিবহন, পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মোহন উপস্থিত থাকে। তেওঁ নৱনিৰ্বাচিত সদস্যসকলক অভিনন্দন জনাই জিলাখনৰ উন্নয়নৰ বাবে চৰকাৰৰ পূৰ্ণ সমৰ্থনৰ আশ্বাস দিয়ে।

০০০০০০০

ভাৰত চৰকাৰৰ দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ জনশিক্ষণ সংস্থান, দৰং জিলাৰ কেন্দ্ৰটো বিউটি কেয়াৰ এছিষ্টেণ্ট বিষয়ত আদৰ্শ কেন্দ্ৰলৈ উন্নীত কৰা হয়। অসমৰ দ্বিতীয়খন জিলা হিচাপে দৰং জিলাৰ এই কেন্দ্ৰটো আদৰ্শ কেন্দ্ৰলৈ উন্নীত হোৱাৰ উপলক্ষে জনশিক্ষণ সংস্থান, দৰঙৰ মঙলদৈস্থিত কাৰ্যালয় চৌহদত আজি এখন সভা অনুষ্ঠিত হয়। এই সভাত সংস্থানটোৰ বিষয়া আৰু সদস্যসকলৰ লগতে অঞ্চলটোৰ ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০০

বৰপেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উৎকোচ লোৱাৰ অপৰাধত দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাৰ দলে আজি আনোৱাৰ হুচেইন নামৰ এজন লাট মণ্ডলক হাতে লোটে ধৰা পেলায়। অভিযোগ অনুসৰি কয়াকুছিৰ এজন লোকৰ ভূমি সংক্ৰান্তীয় কাম কৰি দিয়াৰ বিনিময়ত মণ্ডল জনে প্ৰথমে ২০ হাজাৰ টকাৰ উৎকোচ দাবী কৰিছিল। ভুক্তভোগী লোকজনে এই কথা জনাই দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাত এই সন্দৰ্ভত অভিযোগ দাখিল কৰে। সেই অভিযোগৰ ভিত্তিত শাখাটোৰ এটা দলে অভিযান চলাই লাট মণ্ডলজনক উৎকোচ লৈ থকাৰ সময়তে কৌশলেৰে ধৰা পেলায়। পাছত আৰক্ষীয়ে অভিযুক্ত আনোৱাৰ হুচেইনক গ্ৰেপ্তাৰ কৰে।

০০০০০০০

ডিব্ৰুগড় জিলা কৃষি বিভাগৰ উদ্যোগত আজি জিলাখনৰ খোৱাং, মানকটা, টেঙাখাট, বৰবৰুৱা, নাহৰকটীয়া, ৰহমৰীয়া, ৰাজগড়, চেচুঘাট আৰু মৰাণ কৃষি চক্ৰৰ অন্তৰ্গত অঞ্চলসমূহত সমূহীয়া কঠীয়াতলী প্ৰস্তুতৰ বাবে ধানৰ বীজ সিঁচা কাৰ্যসূচীত কৃষকসকলক সহায় কৰা হয়। এই কাৰ্যসূচীত জিলা কৃষি বিষয়া অনুপ কুমাৰ পেগু আৰু কৃষি উন্নয়ন বিষয়াসকল, কৃষি পৰিদৰ্শক, সহকাৰী কৃষি পৰিদৰ্শক আৰু কৃষি সম্প্ৰসাৰণ সহায়কসকলে সহযোগিতা আগবঢ়ায়।

0000000

ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰৰ তিনিকোণীয়াত আজি সংঘটিত ভয়াবহ অগ্নিকাণ্ডৰ ফলত ইফটিকাৰ হুছেইন নামৰ এজন সাংবাদিকৰ বাসগৃহ সম্পূৰ্ণৰূপে জাহ যায়। বিদ্যুতৰ শ্বৰ্ট চাৰ্কিটৰ ফলত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে। অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপিত কৰাৰ পূৰ্বে সাংবাদিকগৰাকীৰ সকলো সম্পত্তি জুইত জাহ যায়। অৱশ্যে, অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱা নাই। অগ্নিকাণ্ডৰ ঘটনাৰ খবৰ লাভ কৰি অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা আৰু ডিব্ৰুগড়ৰ মেয়ৰ সৈকত পাত্ৰই ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়।

0000000

ভাষাবিদ টাবুৰাম টাইডৰ ৮৩ সংখ্যক জন্ম দিৱস উপলক্ষে আজি টাবুৰাম টাইড স্মৃতি ন্যাসৰ উদ্যোগত আৰু ৰাজ্য চৰকাৰৰ সহযোগত গোগামুখত প্ৰয়াত টাবুৰাম টাইডৰ সমাধিক্ষেত্ৰত প্ৰতিষ্ঠা কৰা টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুঁথিভঁৰাল আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। মন্ত্ৰী ৰণোজ পেগুৱে স্মাৰক সংগ্ৰহালয় আৰু পুঁথিভঁৰালটো মুকলি কৰি অনাগত দিনত অসমৰ সকলো ভাষা সাহিত্য সংস্কৃতিৰ সুৰক্ষা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত এই সংগ্ৰহালয় আৰু পুঁথিভঁৰালটোৱে উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুঁথিভঁৰালটো প্ৰয়াত ভাষাবিদগৰাকীৰ কৃতি আৰু কৃতিত্ব স্মৃতি বিজড়িত বহুকেইপদ সমল আৰু জনগোষ্ঠীয় ভাষা সাহিত্যৰ গৱেষণালব্ধ মূল্যৱান গ্ৰন্থৰে সঁজোৱা হৈছে। গোগামুখৰ কৃষ্টি ভৱনত আয়োজিত এই অনুষ্ঠানতে সাহিত্যিক য়েছে দৰজে ঠংছিক প্ৰথমটো বৰ্ষৰ টাবুৰাম টাইড সাহিত্য বঁটাৰে সন্মান জনোৱা হয়। একেটা অনুষ্ঠানতে সাহিত্যিক পংকজ কুমাৰ দত্ত লাঙাদেউ গ্ৰন্থখনৰ বাবে উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ সমন্বয় সাহিত্য বঁটা প্ৰদান কৰা হয়। পৰৱৰ্তী বৰ্ষত টাবুৰাম টাইড অনুবাদ সাহিত্য বঁটাৰ লগতে ভাষা বিষয়ক গৱেষণাৰ বাবে ফেল'শ্বিপো আগবঢ়োৱা হ'ব বুলি ন্যাসে জানিবলৈ দিছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ ২ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটত **দৃষ্টিপাত** অনুষ্ঠানত ৰাজ্যখনৰ ৩ গৰাকী উদীয়মান চলচ্চিত্ৰ পৰিচালকৰ সৈতে এটা অন্তৰংগ আলাপ প্ৰচাৰ কৰিব। স্বাধীনচিতীয়া পৰিচালক হিচাপে পৰিচিত- অমৰদ্বীপ গগৈ, হিমজ্যোতি তালুকদাৰ আৰু ঝুলনকৃষ্ণ মহন্তৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বীৰাজীৱ লোচন বৰঠাকুৰে।

এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলৰ লগতে বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফে'চবুক পেজ যোগেও পোনপটীয়াকৈ প্ৰচাৰিত হ'ব।

0000000

মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা বঙাইগাওঁ বিশ্ববিদ্যালয়ত আজি উপাচাৰ্য হিচাপে ড০ তৰণী ডেকাই আনুষ্ঠানিকভাৱে যোগদান কৰে। এই উপলক্ষে আয়োজিত আদৰণী অনুষ্ঠানত উপাচাৰ্য ড০ ডেকাই কয় যে,

বিশ্ববিদ্যালয় এখনৰ মূল উদ্দেশ্য হৈছে ই সেই অঞ্চলৰ জাতি, জনগোষ্ঠী আৰু সমাজখনৰ উন্নয়নৰ দিশত কাম কৰা। স্থানীয় সমলসমূহক গৱেষণাৰ জৰিয়তে শিক্ষাৰ্থীসকলে কেনেদৰে কৌশল বিকাশৰ আহিলা হিচাপে গঢ়িব পাৰে, সেই উদ্দেশ্যে আগত ৰাখিহে বিশ্ববিদ্যালয়খন পৰিচালিত হৈ বুলি তেওঁ উল্লেখ কৰে। উপাচাৰ্য ড০ ডেকাই বিশ্ববিদ্যালয়খন আগুৱাই নিয়াৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ মনোনীত পঞ্জীয়ক ড০ দীনেশ দাসো উপস্থিত থাকে।

০০০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত আজি জিলা সেউজীয়া পাতৰ মূল্য নিৰীক্ষণ সমিতিৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। পৰ্যালোচনা সভাখনত যোৰহাট জিলাৰ চাহ উদ্যোগৰ সামগ্ৰীক উন্নয়নৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেঁচা চাহপাতৰ মূল্য নিৰ্ধাৰণ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাখনত ভাৰতীয় চাহ সংস্থা, উত্তৰ পূৰ্বাঞ্চল চাহ সন্থা, ভাৰতীয় চাহ সন্থাৰ অসম শাখা, অসম চাহ ৰোপনকাৰী সন্থাৰ প্ৰতিনিধি, যোৰহাট জিলাৰ ক্ৰয় কৰা পাত কাৰখানাৰ মালিক আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

অভেলত চলি থকা পঞ্চম তথা অন্তিম টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে প্ৰথম ইনিংছত শোচনীয় প্ৰদৰ্শন দাঙি ধৰিছে। আজি খেলখনত দ্বিতীয় দিনা ভাৰতে কালি ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২০৪ ৰানৰ পৰা খেলিবলৈ লৈ কেৱল ২০ ৰান যোগ কৰা অৱস্থাতে ভাৰতৰ আটাইকেইটা উইকেটৰ পতন ঘটে। ভাৰতৰ অন্তিম ৩গৰাকী বেটছমেন শূন্য ৰানত আউট হয়। প্ৰত্যুত্তৰত ইংলেণ্ড দৃঢ় আৰম্ভণি কৰিছে আৰু প্ৰথম উইকেটৰ যুটীত অপেনাৰদ্বয় জেক ক্ৰলি আৰু বেন ডাকেটে ৯২ ৰান সংগ্ৰহ কৰে। বেন ডাকেট ৪৩ ৰান কৰি আউট হয়। ভোজন বিৰতিৰ সময়ত ইংলেণ্ড এক উইকেটৰ বিনিময়ত ১০৯ ৰান সংগ্ৰহ কৰে।

০০০০০০০

সমাপ্ত